***Assamese Midday Bulletin***
***HEADLINES***
***Time : 1340hrs***
***Date 04-01-25***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত গ্ৰামীন ভাৰত মহোৎসৱ ২০২৫ উদ্বোধন কৰে।
২। ভাৰতৰ গ্ৰামাঞ্চলত দৰিদ্ৰতাৰ হাৰ পূৰ্বৰ তুলনাত হ্ৰাস হৈছে বুলি এছ্ বি আইৰ প্ৰতিবেদনত প্ৰকাশ পাইছে।
৩। আজি বিশ্ব ব্ৰেইল দিৱস।

আৰু

৪। ছিডনী ক্ৰিকেট টেষ্টৰ আজি দ্বিতীয়দিনাৰ অন্তত ভাৰতে দ্বিতীয় ইনিংছত ৬ টা উইকেটৰ বিনিময়ত ১৮৫ ৰাণ সংগ্ৰহ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত গ্ৰামীন ভাৰত মহোৎসৱ ২০২৫ উদ্বোধন কৰে। ভাৰত মান্দপামত আয়োজিত এই মহোৎসৱ অহা ৯ জানুৱাৰীলৈকে চলিব। ২০৪৭ চনৰ ভিতৰত স্বাৱলম্বী গ্ৰাম্য ভাৰত গঢ়ি তোলাৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰি আয়োজন কৰি এই মহোৎসৱ উদ্বোধন কৰি শ্ৰীমোদীয়ে কয় যে ২০১৪ চনৰ পৰাই চৰকাৰে গ্ৰামাঞ্চলবাসীক এক মৰ্যদাপূৰ্ণ জীৱন প্ৰদানক অগ্ৰাধিকাৰ দি গ্ৰাম্য অঞ্চলৰ সেৱা আগবঢ়াই আহিছে। এই অনুষ্ঠানত শ্ৰীমোদীয়ে শিপিনীসকলৰ সৈতেও মত বিনিময় কৰি গ্ৰামাঞ্চলৰ মহিলা সবলিকৰণৰ দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই উদ্দেশ্যে চৰকাৰী বিষয়া গ্ৰাম্য উদ্যোগী, শিল্পী, কাৰিকৰ আৰু বিভিন্ন ক্ষেত্ৰৰ অংশীদাৰসকলে সহযোগিতামূলক আৰু সামূহিক গ্ৰাম্য পৰিবৰ্তনৰ ৰূপৰেখা নিৰ্মাণৰ বাবে একেলগে কাম কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। শ্ৰীমোদীয়ে লগতে উল্লেখ কৰে যে গ্ৰাম্য সমাজক স্বাৱলম্বী কৰিবলৈ প্ৰধানমন্ত্ৰী কিষান সন্মান নিধিৰ অধীনত বৰ্তমানলৈকে কৃষকসকলক ৩ লাখ কোটি টকা সাহাৰ্য আগবঢোৱা হৈছে। এই অনুষ্ঠানত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু ৰাজ্যিক বিত্তমন্ত্ৰী পংকজ চৌধাৰীও উপস্থিত থাকে। ০০০

০০০০০০

ভাৰতৰ গ্ৰামাঞ্চলত দৰিদ্ৰতাৰ হাৰ পূৰ্বৰ তুলনাত হ্ৰাস পাইছে। ২০১১-২০১২ বিত্তীয় বৰ্ষত এই হাৰ আছিল ২৫ দশমিক ৭ শতাংশ। কিন্তু ২০২৩-২০২৪ বিত্তীয় বৰ্ষত এই হাৰ ৪ দশমিক ৮-৬ শতাংশলৈ হ্ৰাস পাইছে। ষ্টেট বেংক অৱ ইণ্ডিয়াই প্ৰকাশ কৰা বেংকটোৰ গৱেষণাৰ প্ৰতিবেদনত এই তথ্য প্ৰকাশ কৰা হৈছে। বেংকটোৰ গৱেষণা অনুসৰি বিগত ১২ বছৰত নগৰ অঞ্চলতো দৰিদ্ৰতাৰ হাৰ ১৩ দশমিক ৭ শতাংশৰ পৰা ৪ দশমিক ৯ শতাংশলৈ হ্ৰাস পাইছে। এছ্ বি আইৰ গৱেষণা অনুসৰি গ্ৰামাঞ্চলত দৰিদ্ৰতাৰ হাৰ হ্ৰাস পোৱাৰ মূলতে সামগ্ৰী উপভোগৰ মাত্ৰাৰ বিকাশ শূন্যৰ পৰা ৫ শতাংশলৈ উন্নত হৈছে। লগতে জনসাধাৰণলৈ চৰকাৰৰ উল্লেখযোগ্য সমৰ্থনৰ বাবেও দৰিদ্ৰতাৰ হাৰ শূন্যৰ পৰা ৫ শতাংশলৈ অৱনমিত হৈছে। এছ্ বি আইৰ গৱেষণাত গ্ৰামাঞ্চল আৰু নগৰাঞ্চলৰ লোকৰ মাজত আয়ৰ ব্যৱধান হ্ৰাসৰ অন্যতম কাৰণ হৈছে হিতাধিকাৰীৰ একাউণ্টলৈ প্ৰত্যক্ষভাৱে ধনৰ স্থানান্তৰ ব্যৱস্থা। উল্লেখযোগ্য যে শেহতীয়াকৈ চৰকাৰে বিভিন্ন আঁচনিৰ ধন হিতাধিকাৰীৰ

বেংক একাউণ্টত প্ৰত্যক্ষভাৱে জমা দিয়াৰ ব্যৱস্থা কৰিছে। তদুপৰি গ্ৰামাঞ্চলত আন্তঃগাঠনি নিৰ্মাণ, কৃষকৰ আয় বৃদ্ধি আদিয়ে গ্ৰামাঞ্চলৰ লোকৰ জীৱন ধাৰণৰ মান উন্নত কৰা বুলি গৱেষণা প্ৰতিবেদনখনত উল্লেখ কৰা হৈছে।

০০০০০০

আজি বিশ্ব ব্ৰেইল দিৱস। দৃষ্টিহীন আৰু আংশিকভাৱে দৃষ্টি বাধাগ্ৰস্ত লোকৰ যোগাযোগৰ মাধ্যম হিচাপে ব্ৰেইলৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে প্ৰতিবছৰে এই দিৱস পালন কৰা হয়। ২০১৮ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ব্ৰেইল ব্যৱস্থাৰ জনক লুই ব্ৰেইলৰ জন্ম দিনত ৪ জানুৱাৰী দিনটো বিশ্ব ব্ৰেইল দিৱস হিচাপে ঘোষণা কৰাৰ সিদ্ধান্ত লয়। ব্ৰেইল হৈছে প্ৰতিটো আখৰ আৰু সংখ্যাক প্ৰতিনিধিত্ব কৰিবলৈ ৬টা বিন্দু ব্যৱহাৰ কৰি বৰ্ণানুক্ৰমিক আৰু সংখ্যাগত চিহ্নৰ স্পৰ্শ উপস্থাপন যিয়ে সংগীত, গাণিতিক আৰু ৫বৈজ্ঞানিক চিহ্নসমূহ অন্তৰ্ভুক্ত কৰে। ব্ৰেইল ভাষাৰ অন্ধ আৰু আংশিকভাৱে দৃষ্টি বাধাগ্ৰস্ত লোকসকলে ছপা কৰা কিতাপ, কাকত আলোচনী আদি পঢ়িবলৈ ব্যৱহাৰ কৰে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে সমগ্ৰ পৃথিবীত এক বিলিয়ন লোকৰ ওচৰ বা দূৰত্বৰ দৃষ্টিশক্তিৰ অক্ষমতা আছে যিটো প্ৰতিৰোধ কৰিব পৰা যায়।

ভাৰতত চৰকাৰে দৃষ্টি বাধাগ্ৰস্তসকলৰ বাবে শিক্ষা, সংস্থান আৰু অধিকাৰ তথা তেওঁলোকৰ সামগ্ৰিক কল্যানৰ বাবে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

গাজা ষ্ট্ৰীপত যুদ্ধবিৰতিৰ লক্ষ্যৰে কাটাৰৰ দোহাত ইজৰাইলৰ সৈতে পৰোক্ষ আলোচনা আৰম্ভ হোৱা বুলি হামাছে নিশ্চিত কৰিছে। হামাছে এটা বিবৃতিত কয় যে শেহতীয়া আলোচনাত স্থায়ী যুদ্ধ বিৰতি স্থাপন আৰু গাজাৰ পৰা ইজৰাইলী বাহিনীৰ প্ৰত্যাহাৰ নিশ্চিত কৰাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হ'ব বুলি আশা কৰা হৈছে। ইয়াৰোপৰি স্থানচ্যুত পেলেষ্টাইনীসকলক নিৰাপদে আৰু সুকলমে ঘুৰি অহাৰ সুবিধা প্ৰদান কৰা।

বৃস্পতিবাৰে ইজৰাইল কৰ্তৃপক্ষই কয় যে যুদ্ধবিৰতি আলোচনাৰ বাবে দোহালৈ এটা প্ৰতিনিধিৰ দল প্ৰেৰণ কৰা হৈছে। ইয়াৰ পূৰ্বে দেশখনৰ প্ৰধানমন্ত্ৰী ব্ৰেঞ্জামিন নেতানেহুৰে এটা বিবৃতি নিশ্চিত কৰিছিল যে মুছাদ, শ্বীন বেট আৰু ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীৰ প্ৰতিনিধি দলে আলোচনা অব্যাহত ৰাখিব। উল্লেখযোগ্য যে কাটাৰ, ইজিপ্ত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মধ্যস্থতাত বিগত এবছৰতকৈও অধিক কাল ধৰি এই আলোচনা চলি আছে।

ইয়াৰ পূৰ্বে যোৱা বুধবাৰে ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাটজে কঠোৰ সতৰ্কবাণী জাৰি কৰি কয় যে যদিহে হামাছে পণবন্দীসকলক অতি শীঘ্ৰে মুকলি কৰি দিয়াৰ চুক্তিত সন্মতি নিদিয়ে তেন্তে ইজৰাইলে গাজাত সামৰিক অভিযান তীব্ৰতৰ কৰি তুলিব।

০০০০০০

আজি বিশ্ব ব্ৰেইল দিৱস। দৃষ্টিহীন আৰু আংশিকভাৱে দৃষ্টি বাধাগ্ৰস্ত লোকৰ যোগাযোগৰ মাধ্যম হিচাপে ব্ৰেইলৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে প্ৰতিবছৰে এই দিৱস পালন কৰা হয়। ২০১৮ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ব্ৰেইল ব্যৱস্থাৰ জনক লুই ব্ৰেইলৰ জন্ম দিন ৪ জানুৱাৰীক বিশ্ব ব্ৰেইল দিৱস হিচাপে ঘোষণা কৰাৰ সিদ্ধান্ত লয়। ব্ৰেইল হৈছে প্ৰতিটো আখৰ আৰু সংখ্যাক প্ৰতিনিধিত্ব কৰিবলৈ ৬টা বিন্দু ব্যৱহাৰ কৰি বৰ্ণানুক্ৰমিক আৰু সংখ্যাগত চিহ্নৰ স্পৰ্শ উপস্থাপন যিয়ে সংগীত, গাণিতিক আৰু ৫বৈজ্ঞানিক চিহ্নসমূহ

অন্তৰ্ভুক্ত কৰে। ব্ৰেইল ভাষাৰ অন্ধ আৰু আংশিকভাৱে দৃষ্টি বাধাগ্ৰস্ত লোকসকলে ছপা কৰা কিতাপ, কাকত আলোচনী আদি পঢ়িবলৈ ব্যৱহাৰ কৰে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে সমগ্ৰ পৃথিবীত এক বিলিয়ন লোকৰ ওচৰ বা দূৰত্বৰ দৃষ্টিশক্তিৰ অক্ষমতা আছে যিটো প্ৰতিৰোধ কৰিব পৰা যায়।

ভাৰতত চৰকাৰে দৃষ্টি বাধাগ্ৰস্তসকলৰ বাবে শিক্ষা, সংস্থান আৰু অধিকাৰ তথা তেওঁলোকৰ সামগ্ৰিক কল্যানৰ বাবে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু মালদ্বীপৰ বিদেশ মন্ত্ৰী ড০ আব্দুলা খলিলে কালি নতুন দিল্লীত দ্বিপাক্ষিক বৈঠকত মিলিত হয়। ড০ জয়শংকৰে সাগৰ দৰ্শন আৰু ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিৰ অধীনত দ্বীপৰাষ্ট্ৰখনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ কথা দোহাৰি দেশখনলৈ সমৰ্থন অব্যাহত ৰখাৰ আশ্বাস দিয়ে। দুয়োগৰাকী নেতাই বিগত বৰ্ষৰ অক্টোবৰত মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৰ ভাৰত ভ্ৰমণৰ সময়ত স্বাক্ষৰ হোৱা বুজাবুজি চুক্তিৰ পাছৰ পৰ্যায়ৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহত আলোচনা কৰে।

ড০ খলিলে ভাৰতে মালদ্বীপৰ প্ৰয়োজনত তৎকালে আৰ্থিক সাহায্য প্ৰদান কৰাৰ বিষয়ৰ শলাগ লৈ কয়, যে এই পদক্ষেপে প্ৰথম সঁহাৰি প্ৰদানকাৰী হিচাপে ভাৰতৰ ভূমিকাক প্ৰতিফলিত কৰে। বিদেশ মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ভাৰত-মালদ্বীপ বিস্তৃত অৰ্থনীতি আৰু সামুদ্ৰিক সুৰক্ষা অংশীদাৰীত্বৰ ক্ষেত্ৰত যুটীয়া সহযোগিতাৰ আগবঢ়াবলৈ ভাৰতৰ সৈতে ৰাষ্ট্ৰপতি মুইজ্জু আৰু মালদ্বীপ চৰকাৰ বদ্ধপৰিকৰ। বৈঠকত দুয়োখন দেশে ভাৰতৰ অনুদান সাহায্যৰ জৰিয়তে মালদ্বীপত সমুদায় বিকাশ প্ৰকল্পৰ তৃতীয় পৰ্যায়ৰ অধীনত ৰূপায়ণ কৰা বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

ooooooo

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত বৈজ্ঞানিক আৰু ঔদ্যোগীক গৱেষণা বিভাগৰ ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ভাৰত চৰকাৰৰ মুখ্য বৈজ্ঞানিক পৰামৰ্শদাতা, অধ্যাপক অজয় কুমাৰ সুদ, বৈজ্ঞানিক আৰু ঔদ্যোগীক গৱেষণা বিভাগৰ সচিব তথা বৈজ্ঞানিক আৰু ঔদ্যোগীক গৱেষণা পৰিষদ চি এছ্ আই আৰৰ সঞ্চালকপ্ৰধানো উপস্থিত থাকিব। এই বিশেষ অনুষ্ঠানত চি এছ্ আই আৰ আৰু লঘু উদ্যোগ ভাৰতীৰ মাজত প্ৰযুক্তিৰ আদান-প্ৰদান কৰা হ'ব। বিভাগটোৱে বিভিন্ন কাৰ্যসূচী তথা নিজা গৱেষণা আৰু বিকাশ কেন্দ্ৰ, বৈজ্ঞানিক আৰু ঔদ্যোগীক সংস্থাৰ জৰিয়তে এই ক্ষেত্ৰৰ বিভিন্ন গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত পালন কৰা ভূমিকাক সন্মান জনাই এই অনুষ্ঠানৰ আয়োজন কৰিছে।

ooooooo

ভাৰত আৰু ইৰাণৰ মাজত কালি নতুন দিল্লীত ১৯ সংখ্যক বিদেশ মন্ত্ৰ্যালয় পৰ্যায়ৰ পৰামৰ্শ বৈঠক অনুষ্ঠিত হয়। বৈঠকত চাবাহৰ বন্দৰ, কৃষি সহযোগিতা বাণিজ্য আৰু অৰ্থনীতিৰ লগতে সাংস্কৃতিক আৰু জনসাধাৰণৰ মাজত সম্পৰ্ককে ধৰি দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ বিষয়ত পৰ্যালোচনা কৰা

হয়। বিদেশ সচিব বিক্রম মিশ্রী আৰু ইৰাণৰ উপ বিদেশমন্ত্রী মাজিদ টখ্‌ত ৰাৱনচিয়ে বৈঠকত অধ্যক্ষতা কৰে। বৈদেশিক পৰিক্রমা মন্ত্রালয়ে এটা বিবৃতিত প্রকাশ কৰা অনুসৰি বৈঠকত আফগানিস্তান, পশ্চিম এছিয়া আৰু দক্ষিণ ক'কেছাচৰ সাম্প্রতিক পৰিস্থিতিকে ধৰি বৰ্তমানৰ বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্রীয় বিকাশৰ বিষয়ত আলোচনা কৰা হয়। বিদেশ সচিব মিশ্রীয়ে আফগানিস্তানৰ অৰ্থনৈতিক উন্নয়নত সমৰ্থন আগবঢ়োৱাৰ ক্ষেত্রত চাবাহৰ বন্দৰৰ গুৰুত্বৰ কথা উল্লেখ কৰে। দুয়োখন দেশে ৰাষ্ট্রসংঘ, ব্রীকছ ৰাষ্ট্রগোষ্ঠী আৰু চাংহাই সহযোগিতা সংস্থাকে ধৰি বহুপাক্ষিক ক্ষেত্রত সহযোগিতা গভীৰ কৰি তোলাৰ প্রতিশ্রুতিবদ্ধতাক দোহাৰে।

oooooo

আকাশবাণী কোকৰাঝাৰ কেন্দ্রত স্থাপন কৰা ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্রান্সমিটাৰৰ পৰা অনুষ্ঠান প্রচাৰ আৰম্ভ হৈছে। এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত এই ট্রান্সমিটাৰৰ পৰা প্রচাৰিত উন্নত মানৰ অনুষ্ঠান কোকৰাঝাৰৰ লগতে ধুবুৰী, বঙাইগাঁও, গোৱালপাৰা আৰু চিৰাং জিলাৰ শ্রোতাসকলে শুনিবলৈ সমৰ্থ হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে তথ্য আৰু সম্প্রচাৰ মন্ত্রী অশ্বিনী বৈষ্ণৱে গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত কালি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে আকাশবাণী কোকৰাঝাৰ কেন্দ্রৰ এফ এম ট্রান্সমিটাৰ আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। এই নতুন এফ এম ট্রান্সমিটাৰৰ সংযোজনে অঞ্চলটোৰ ৰাইজক কেনেদৰে উৎসাহিত কৰিছে সেই বিষয়ে আকাশবাণী গুৱাহাটী কেন্দ্রৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত অনুষ্ঠানত প্রচাৰ কৰিব।

শ্রোতাসকলে আমাৰ এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫ আৰু ১০১ দশমিক ৬ মেগাহাৰ্ট্‌জত শুনিব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

ooooooo

ছিডনী ক্রিকেট টেষ্টৰ আজি দ্বিতীয়দিনা ভাৰতে দ্বিতীয় ইনিংছত আমালৈ বাতৰি অহাৰ পৰলৈকে ৬ টা উইকেটৰ বিনিময়ত ১৮৫ ৰান কৰিছে। অপেনাৰ য়শশ্বী জয়শোৱাল আৰু কে এল ৰাহুল ক্রমে ২২ আৰু ১৩ ৰাণ কৰি আউট হয়।

ইয়াৰ পূৰ্বে ভাৰতীয় খেলুৱৈসকলে দুৰ্দান্ত বলিঙেৰে অষ্ট্রেলিয়াৰ বেটিং লাইন বিধবস্ত কৰি ঘৰুৱা দলটোক ১৮১ ৰাণতে নিজৰ প্রথম ইনিংছ সামৰিবলৈ বাধ্য কৰায় আৰু ভাৰতে প্রথম ইনিংছত ৪ ৰাণৰ অগ্রগতি লাভ কৰে। অষ্ট্রেলিয়াই কালি এটা উইকেটৰ বিনিময়ত সংগ্রহ কৰা ৯ ৰাণৰ পৰা আজিৰ খেল আৰম্ভ কৰিছিল। মহম্মদ চিৰাজ আৰু প্রসিদ্ধ কৃষ্ণই তিনিটাকৈ উইকেট লাভ কৰাৰ লগতে অধিনায়ক যশপ্রীত বুমৰা আৰু নিতিশ কুমাৰ ৰেড্ডীয়ে দুটাকৈ উইকেট দখল কৰে। দলটোৰ হৈ বিউ ৱেবষ্টাৰে সৰ্বোচ্চ ৫৭ ৰাণ আৰু ষ্টিভেন স্মীথে ৩৩ ৰাণ কৰে।

oooooo

ooooooooo

oooooo